ড$^{o}$ **নন্দৰাম দাস**

সভাপতি, অসম গণিত শিক্ষায়তন

গুৱাহাটী বিশ্ব বিদ্যালয় গুৱাহাটী-১৪

মাননীয়, সভাপতি মহোদয়,

ইয়াৰ লগত দিয়া বাতৰিটো আপোনাৰ বহুমূলীয়া বাতৰি কাকতত প্ৰকাশ কৰিলে অসমৰ ছাত্ৰ-ছাত্ৰীসকল বহু উপকৃত হ'ব।

**নন্দৰাম দাস**

## সদৌ অসম ভিত্তিক

## অমলা বেজবৰুৱা স্মাৰক কুইজ প্ৰতিযোগিতা

অসম গণিত শিক্ষায়তনে সদৌ অসম ভিত্তিক ড$^{o}$ অমলা বেজবৰুৱা স্মাৰক গণিত কুইজ প্ৰতিযোগীতা অহা ১৬ জুলাইত নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুস্থিত কৰিবলৈ সিদ্ধান্ত কৰিছে।এই প্ৰতিযোগীতা দিনৰ ১১ঃ০০বজাত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ ফণীধৰ দত্ত চেমিনাৰ হ'লত অনুস্থিত হ'ব। অসমৰ সকলো মাধ্যমৰ যিকোনো বৰ্ডৰ নৱম আৰু দশম শ্ৰেণীৰ দুজনীয়া দলে যোগদান কৰিব পাৰিব। ইচ্ছুক দলবোৰে www.aam.org.in ৱেব চাইটৰ পৰা আবেদনপত্ৰৰ কপি উলিয়াই nrd47@yahoo.co.in ইমেইলত পঠাব নতুবা ডাকযোগে গণিত বিভাগ, গুৱাহাটী বিশ্ব বিদ্যালয়, গুৱাহাট 781014 ঠিকনাত Dr. Nilakshi Goswami লৈ ১ জুলাইৰ পৰা অগয়ে পোৱাকৈ পঠাব লাগিব। প্ৰথমে আটাইবোৰ আবেদন কৰা দলৰ পৰা পাঁচটা দল গণিতৰ বিষয় ভিত্তিক প্ৰশ্নৰ বাচনি পৰীক্ষাৰে বাচি উলিওৱা হ'ব আৰু এই পাচঁটা দলৰ মাজত মূল কুইজ প্ৰতিযোগীতা দহটা ৰাউত্তত সম্পূৰ্ণ কৰা হ'ব। প্ৰতিযোগীতাৰ প্ৰথমটো দলক ড$^{o}$ অমলা বেজবৰুৱা স্মাৰক বঁটা, নগদ ধন, চাৰ্টিফিকেট, যোগদানৰ প্ৰমাণ পত্ৰৰে পুৰস্কাৰ কৰা হ'ব।

**নন্দৰাম দাস**

**ড° নন্দৰাম দাস**
সভাপতি, অসম গণিত শিক্ষায়তন
সম্পাদক মহোদয়,

.........................................................................

**তলত দিয়া বাতৰিটো আপোনাৰ বহুমূলীয়া দৈনিক বাতৰিকাকতত প্ৰকাশ কৰিলে বহুতো স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উপকৃত হ'ব।**

**ধন্যবাদ।**
**নন্দৰাম দাস**

## <u>অসম গণিত শিক্ষায়তনৰ</u>
## <u>ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান</u>

অসম গণিত শিক্ষায়তনৰ কাৰ্য্যকৰী কমিটিৰ এখন গুৰুত্বপূৰ্ণ সভাত ৰূপালী জয়ন্তী উৎসৱৰ সামৰণি অনুস্থান জুলাই মাহৰ ১৬ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে গুৱাহাটী বিশ্ব বিদ্যালয়ৰ ফনীধৰ দত্তচেমিনাৰ হ'লত অনুস্থিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। ইয়াৰ লগতে ভাৰত চৰকাৰৰ অনুশক্তি বিভাগৰ অধীনস্থ National Board for Higher Mathematies (NBHM) ৰ দ্বাৰা অনুমোদিত অৰ্থিক অনুদানেৰে অসমৰ বঙ্গাই গাওঁ, গুৱাহাটী, গোলাঘাট, ডিব্ৰুগড়, তেজপুৰ, লক্ষীমপুৰ আৰু শিলচৰত স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু গণিত শিক্ষকৰ প্ৰশিক্ষণৰ বিষয়ে আলোচনা কৰা হয়। গণিত অলিম্পিয়াডৰ লগতে গাণিতিক ধাৰণা শুদ্ধ আৰু স্পষ্টভাবে দেখুৱাই দি গণিতৰ মাজত থকা সৌন্দৰ্য্যক চিনাকি কৰি দিয়াৰ উদ্দেশ্যেৰ প্ৰশিক্ষণৰ বিষয়ে আলোচনা কৰা হয়।

১৬ জুলাইৰ ৰাতিপুৱা ১০ বজাৰ পৰা পতকা উত্তোলনেৰে দুদিনীয়া অনুস্থানৰ শুভাৰম্ভ হ'ব। লগে লগে ছাত্ৰ-ছাত্ৰীৰ গাণিতিৰ আৰ্হি, চাৰ্ড আদি ৰ প্ৰদশৰ্নীৰ লগতে গণিতৰ কিতাপৰ প্ৰদৰ্শনী এখন পতা হ'ব। সমান্তৰাল ভাৱে সদৌ অসম অমলা বেজবৰুৱা কুইজ প্ৰতিযোগীতা নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰছাত্ৰীৰ মাজত অনুস্থিত হ'ব। আনহাতে NORTH EAST REGIONAL CONFENCE OF MATHEMATIC (NEROOM (II), 2011) অৰ আৰম্ভণি অনুস্থান ১১ বজাৰ পৰা আৰম্ভ হ'ব। আগবেলা বিশেষজ্ঞৰ দ্বাৰা Key Not Lecture প্ৰদানেৰে আৰম্ভ কৰাৰ পিছত বিভিন্ন শিক্ষানুস্থানৰ পৰা অহা গৱেষকে Pur Mathemation, Applied mathematies আৰু Technology ৰ প্ৰায়োগিক গণিতৰ প্ৰত্ৰ পাঠ কৰিব।

১৭ জুলাই দিনা দিনৰ ১০ঃ৩০ বজাৰ পৰা মুকলি অধিৱেশন অনুস্থিত হ'ব। শিক্ষায়তনৰ প্ৰকাশিত গ্ৰন্থ, পুস্তিকা, অলিম্পিয়াডৰ পাঠ্য-পুঠিৰ উন্মোচনৰ লগতে ৮ মে'ত হৈ যোৱা মে মেথেলেটিক্স উৎসৱ প্ৰতিযোগিতাৰ বঁটা বিতৰণী আৰু সভাৰ শেষত এক চমু সাংস্কৃতিক অনুস্থানেৰে কাৰ্য্যসূচীৰ সামৰণি পৰিব।

**(নন্দৰাম দাস)**

Dr. Nanda Ram Das
President, Assam Academy of Mathematics
Guahati University, Guwahati-781014

সম্পদক মহোদয়,

তলত দিয়া বাতৰিটো প্ৰচাৰ কৰিবলৈ অনুৰোধ জনালো। বাতৰিটো প্ৰচাৰ হ'লে স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকল উপকৃত হ'ব।

**নন্দৰাম দাস**

## <u>গণিত অলিম্পিয়াডৰ প্ৰশিক্ষণ শিবিৰ</u>

অসম গণিত শিক্ষায়তনে ভাৰত চৰকাৰৰ অনুশক্তি বিভাগৰ অধীনৰ National Board for Higher Mathematics (NBHM) অৰ অনুদানেৰে অহা ১ জুলাইৰ পৰা ৭ জুলাইলৈ সপ্তাহযোৰা Instructional School পাতিবলৈ সিদ্ধান্ত কৰিছে। এই প্ৰশিক্ষণ একেলগে অসমৰ সাত খন ঠাইত একোজন পৰিচালকৰ দায়িত্বত বঙাইগাওঁ (বীৰব্ৰত দাস চৌধুৰী, পলিটেকনিক) গুৱাহাটী- (ড° ৰীতা চৌধুৰী, গুৱাহাটী বিশ্ব বিদ্যালয়), গোলাঘাট (শ্ৰীবিমান গোস্বামী), ডিব্ৰুগড় (ড° সুৰজিত বৰকটকী, ডিব্ৰুগড় বিশ্ববিদ্যালয়), লক্ষীমপুৰ (ড° বুবুল শইকীয়া, ছোৱালী কলেজ), তেজপুৰ (ড° নয়দীপ ডেকা বৰুৱা, তেজপুৰ ইউনিভাৰ্চিটি) আৰু শিলচৰ (ড° ধীৰেন বাচনেট) অত অনুস্থিত হ'ব। প্ৰতিঠাইতে নিৰ্বাচিত দহজন গণিতৰ শিক্ষক আৰু ৩০ জন ছাত্ৰক এই প্ৰশিক্ষণ দিয়া হ'ব। প্ৰয়োজন সপেক্ষে খোৱা, থকা আৰু যাতায়তৰ প্ৰত্যেক ঠাইতে ব্যৱস্থা কৰা হ'ব।

সাত খন এনে প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ দিবলৈ অসমৰ বিভিন্ন বিশ্ব বিদ্যালয়, মহা বিদ্যালয়, আই্ আই্ টিৰ ওপৰিও ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ পৰা গণিত অলিম্পিয়াডৰ লগত জড়িত বিশেষজ্ঞক নিমন্ত্ৰণ কৰিবলৈ থিক কৰা হৈছে। প্ৰশিক্ষণ পূৰ্বে প্ৰশিক্ষক সকলে গুৱাহাটী বিশ্ব বিদ্যালয়ত ১০,১১ আৰু ১২ জুনত প্ৰশিক্ষক সকলৰ এটা তিনি দিনীয়া শিবিৰ অনুষ্ঠিত হ'ব। এই আটায়বোৰ শিবিৰত একে পাঠ্যক্ৰম থিক কৰা হ'ব আৰু শিক্ষণ পদ্ধতিৰ বাবে অভিজ্ঞ সকলৰ দ্বাৰা এটা কৰ্মশালা পাতিবলৈও সিদ্ধান্ত লোৱা হৈছে।

ইচ্ছুক শিক্ষক আৰু viii, ix, x, xi আৰু xii অৰ যিকোনো ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তিৰ বাবে আবেদন কৰিব লাগিব। সকলো প্ৰাৰ্থীয়ে গুৱাহাটী বিশ্ববিদ্যালয় গণিত বিভাগৰ মূৰব্বী অধ্যাপিকা ড° কুন্তলা পাত্ৰলৈ আবেদন পত্ৰ পঠাব লাগিব। www.aam.org.in ৱেব চাইটৰ পৰা আবেদনপত্ৰৰ কপিলৈ ১ জুলাইৰ পূৰ্বে Email: kuntalapatra@gmail.com ত নতুবা ডাকযোগেদি ড° কুন্তলা পাত্ৰ (গণিত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী) লৈ পঠাব লাগিব।

**নন্দৰাম দাস**